কৰিলে, তাকো উপলব্ধি কৰিবলৈ পোৱা যায়।[১] ৰজাঘৰীয়া বিষয়াসকলৰ খোৱা-কামোৰা আৰু গৃহ-কন্দলৰ বাবে কিদৰে অসমৰ স্বাধীনতা ৰবি অস্তগামী হৈছিল তথা মানে অসম আক্ৰমণ কৰিবলৈ চল পাইছিল, সেয়া উপন্যাসখনৰ প্ৰথমছোৱাত বিবৃত হৈছে। মানৰ নৃশংস তিনিবাৰ অসম আক্ৰমণৰ ফলত অসমৰ সামাজিক, ৰাজনৈতিক তথা অৰ্থনৈতিক জীৱন কেনেদৰে বিপৰ্যস্ত হৈছিল, তাৰ চিত্ৰও উপন্যাসখনত দাঙি ধৰা হৈছে। দীৰ্ঘদিন মানদেশত থকাৰ সূত্ৰে নিৰ্মলৰ জৰিয়তে সেই দেশৰ এটি বিশদ বিৱৰণ দাঙি ধৰাৰ সুন্দৰ সুযোগ এটি ঔপন্যাসিকে নলৈ কেৱল চমু বিৱৰণ এটিহে সন্নিবিষ্ট কৰিছে। কল্পনা-শক্তিৰ দৈন্যৰ বাবে সেয়াও সজীৱ নহ'ল যদিও, এনে ধৰণৰ বৰ্ণনাই ৰোমাঞ্চ ৰস-সৃষ্টিত সামান্য হ'লেও অৰিহণা যোগাইছে। অৱশ্যে অসমৰ ভাওনাৰ বিৱৰণ, বৈষ্ণৱ ধৰ্মৰ কীৰ্তিস্তম্ভ দক্ষিণপাট সত্ৰৰ বিৱৰণ আদিত লেখকৰ সুদক্ষ হাতৰ পৰশ বিদ্যমান। গুৰুৰ আৱশ্যকতা, প্ৰায়চিত্ত, ব্ৰহ্মচৰ্য, গাৰ্হস্থ্য আৰু কেবলীয়া জীৱনৰ দীঘলীয়া বৰ্ণনা আদিয়ে সেই যুগৰ অসমীয়া মানুহৰ বিশ্বাসক প্ৰতিফলিত কৰিছে। সেইদৰে অসমীয়া সমাজ তথা বৈষ্ণৱ সত্ৰসমূহত শিপোৱা জাতি-বিচাৰৰ কথাও ঔপন্যাসিকে ক'বলৈ পাহৰা নাই। বৰ বেছি বুৰঞ্জীৰ কাষ নাচাপি কেৱল বুৰঞ্জীৰ প্ৰলেপ দি ৰচনা কৰা বাবে নিৰ্মল ভকতক ঐতিহাসিক উপন্যাস বোলাতকৈ ইতিহাস আশ্ৰয়ী উপন্যাস বোলাহে যুগুত।

বৰদলৈৰ উপন্যাসৰ এটা উল্লেখনীয় দিশ হৈছে চৰিত্ৰ-ৰূপায়ণ। অৱশ্যে তেওঁৰ কাহিনী-প্ৰধান উপন্যাসবোৰত চৰিত্ৰবোৰৰ বিকাশ খুব কমেই হোৱা দেখা যায়। আনহাতে চৰিত্ৰৰ মানসিক সংঘাতৰ ওপৰত বৰদলৈয়ে গুৰুত্ব আৰোপ কৰা নাই। কিন্তু চৰিত্ৰ সাৰ্থক হয় মনোবিশ্লেষণতহে। জটিলতাই চৰিত্ৰৰ অন্যতম আকৰ্ষণ। টাইপ চৰিত্ৰত জটিলতা সৃষ্টিৰ সুবিধা তেনেই কম। বৰদলৈৰ উপন্যাসৰ প্ৰায়বোৰ চৰিত্ৰই টাইপ। সেয়ে তেওঁৰ চৰিত্ৰসমূহ সক্ৰিয় নহয়; ঐতিহাসিক কাহিনীয়ে তেওঁলোকক যেনি-তেনি টানি লৈ গৈছে। সমাজৰ বিভিন্ন স্তৰৰ যিবোৰ চৰিত্ৰ তেওঁ অংকন কৰিছে সেইবোৰ সাধাৰণতে সহজ-সৰল আৰু মানসিক জটিলতাৰ মেৰত নোসোমোৱা ব্যক্তি। চৰিত্ৰবোৰৰ সাজ-পোছাক যেনেদৰে আড়ম্বৰপূৰ্ণ নহয়, তেনেদৰে বচনভংগী আৰু কাৰ্য-কলাপো পোনপটীয়া আৰু বৈচিত্ৰ্যহীন। বৰদলৈৰ উপন্যাসৰ অইন এটা তাৎপৰ্যপূৰ্ণ দিশ হ'ল— তেওঁৰ সৰহসংখ্যক উপন্যাসতেই নাৰী-চৰিত্ৰই মুখ্য ভূমিকা লৈছে। কিন্তু আমাৰ আলোচ্য উপন্যাস নিৰ্মল ভকত এইক্ষেত্ৰত ব্যতিক্ৰম, এইখনত পুৰুষ-চৰিত্ৰইহে গুৰুত্ব লাভ কৰিছে। এইখন উপন্যাসৰ নামকৰণো নায়কৰ নামেৰে কৰা হৈছে। আত্মবিবৃতিমূলক এই উপন্যাসখনৰ ঘাই চৰিত্ৰ হৈছে নিৰ্মল। সি সাহসী, কৰ্মপটু আৰু গভীৰ প্ৰেমিক। দেশৰ হ'কে যুঁজ দি মানসেনাৰ হাতত বন্দী হৈ সুদীৰ্ঘকাল ব্ৰহ্মদেশত কটালেও স্বদেশ আৰু

ৰূপহীৰ আকৰ্ষণে চৈধ্য বছৰ পিছত হ'লেও তাক নিজ দেশলৈ টানি আনে। প্ৰেয়সীৰ প্ৰতি থকা গভীৰ প্ৰেমে তাক অকলশৰীয়া জীৱন কটোৱাত বিশেষ আমনি কৰা নাছিল। জন্মভূমিলৈ প্ৰত্যাবৰ্তনৰ পিছত ৰূপহী-অনিৰামৰ বিয়া হোৱা বুলি শুনিও নিৰ্মলে ধৈৰ্য নেহেৰুৱাই সিহঁতৰ জীৱনত আহুকালৰ সৃষ্টি নকৰি তথা আত্মপৰিচয় বেকত নকৰি উদাসী ভকতৰ বেশ লয়। ইয়ে তাৰ প্ৰেমৰ গভীৰতা আৰু চৰিত্ৰৰ মহত্ত্ব উজ্জ্বল ৰূপত প্ৰকাশ কৰিছে। স্বৰ্গগতা মাহীয়েকৰ পবিত্ৰ প্ৰভাৱে নিৰ্মলক পত্নী বা নাৰীৰ প্ৰেমতকৈ উচ্চ আৰু বিশাল ভগৱত প্ৰেমৰ অমৃত-প্ৰবাহত অবগাহন কৰিবলৈ পথ নিৰ্দেশ কৰিছিল।[২] সাংসাৰিক জীৱনলৈ সমূলি মন নকৰি ঈশ্বৰ-চিন্তাতে জীৱনৰ বাকীছোৱা কাল নিৰ্মলে নিৰলে অতিবাহিত কৰি নিজৰ ধৈৰ্য, ৰূপহীৰ প্ৰতি থকা আন্তৰিকতা আৰু অনুৰাগৰ পৰিচয় দাঙি ধৰিছে। ভাগ্যত গভীৰভাৱে বিশ্বাসী নিৰ্মলে সত্ৰত থাকোঁতেও দেশ তথা সমাজৰ মংগল-চিন্তা কৰিছিল। অৱশ্যে ৰূপহীৰ প্ৰতি থকা নিৰ্মলৰ প্ৰেমৰ প্ৰভাৱ সুপ্ত জ্বালামুখীৰ দৰে কেতিয়াও নাইকিয়া হৈ যোৱা নাই। চৰিত্ৰটো ইমান সহজ-সৰল আৰু পোনপটীয়া যে সকলো পৰিস্থিতিৰ লগত নিজকে মিলাই আগবাঢ়ি গৈছে। পৰিস্থিতিক নিজৰ আয়ত্তলৈ অনাৰ পৰিৱৰ্তে নিজে পৰিস্থিতিৰ দাস হৈ পৰিছে। সমালোচকৰ ভাষাত ক'ব পাৰি, **নিৰ্মল ভকতৰ** একেটি চৰিত্ৰ নিৰ্মল যেন ৰাজনৈতিক দুৰ্যোগৰ মাজত হেৰাই যোৱা ডায়েৰীৰ এটা পাতহে।[৩] নিৰ্মল ভকতলৈ ৰূপান্তৰ হোৱাৰ আঁৰত পাৰ্থিৱ প্ৰেমৰ ব্যৰ্থতাৰ করুণ কাহিনী ধ্বনিত হোৱা বুলি ক'ব পাৰি।

উপন্যাসখনৰ নায়িকা হৈছে ৰূপহী। ৰূপহীক নিৰ্মল আৰু অনিৰামে ভাল পাইছিল যদিও, তাই কিন্তু নিৰ্মলৰ প্ৰতিহে আকৰ্ষিতা হৈছিল। নিৰ্মল আৰু ৰূপহীৰ বিয়াৰ দুবছৰ পিছত মান সৈন্যাই নিৰ্মলক যুদ্ধবন্দীৰূপে সিহঁতৰ দেশলৈ নিছিল। সুদীৰ্ঘ চৈধ্য বছৰ কাল মানদেশত থকা সময়ত ৰূপহীয়ে অইন পুৰুষৰ প্ৰতি দুৰ্বলা নোহোৱাটোৱে তাইৰ নিভাঁজ প্ৰেম, মানসিক দৃঢ়তা আৰু ত্যাগকেই সূচায়। ৰূপহীৰ অনিৰামৰ প্ৰতি টান নাছিল যদিও, সুদীৰ্ঘ বাৰ বছৰ কাল নিৰ্মল ঘূৰি নহা দেখি গএৱাৰ বুজনিতহে অনিৰামৰ সতে বিয়াত সন্মতি প্ৰদান কৰিছিল। ৰূপহীয়ে অনিৰামক বিয়া কৰোৱাৰ মাজেদি নাৰী-চৰিত্ৰৰ অসহায় ভাব আৰু হিতকাৰীৰ প্ৰতি থকা এটি নাৰী সুলভ সহানুভূতি প্ৰকাশ পাইছে।[৪] বৰদলৈৰ ব্যৰ্থ প্ৰেম যিহেতু নিৰাশাবাদত শেষ নহয়, সেয়ে নিৰ্মল নিৰুদ্দেশ হোৱাৰ পিছত সুদীৰ্ঘ চৈধ্যবছৰ অপেক্ষা কৰা ৰূপহীক ঔপন্যাসিকে আলৈ-আথানিৰ সন্মুখীন নকৰি দ্বিতীয় বিবাহৰ জৰিয়তে পূৰ্ণতা দিবলৈ যত্ন কৰিছে। নিৰ্মলৰ প্ৰতি তাই অবিচাৰ কৰা নাই, কাৰণ ভাৰতীয় আদৰ্শমতে প্ৰেমৰ দাবীতকৈ জীৱনৰ দাবী অধিক। অনিৰামৰ ঔৰসত দুটি সন্তানৰ জন্ম দি তাই নাৰীত্বৰ পূৰ্ণতা অৰ্জন কৰিছে। ৰূপহীৰ চৰিত্ৰৰ